**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

অসম আৰু অসমীয়াৰ স্বাৰ্থৰ হকে আজীৱন উদাত্ত কণ্ঠেৰে মাত মাতি জাতি চেতনাৰ সঞ্চাৰ কৰা অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীৰ পুণ্য তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। স্বাধীনতা সংগ্ৰামী, কবি, নাট্যকাৰ, গায়ক, গদ্য লেখক, সংবাদসেৱী ৰায়চৌধুৰীক তেজোদিপ্ত ধ্যান-ধাৰণা আৰু চেতনাৰ সঞ্চাৰকাৰী কৰ্ম আৰু সৃষ্টিৰাজিৰ বাবে অসম কেশৰী উপাধিৰে সন্মানিত কৰা হৈছিল। ১৯৫০ চনত মাৰ্ঘেৰিটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত তেওঁ সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৬৫ চনত সাহিত্য একাডেমী বঁটাৰে সন্মানিত ৰায়চৌধুৰীয়ে তুমি, বীণা, অনুভূতি, বেদনাৰ উল্কা আদি কাব্যপুথিৰ উপৰি কেইবাখনো নাটক ৰচনা কৰি অসমীয়া সাহিত্যলৈ বৰঙণি আগবঢ়াই গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰায়চৌধুৰীৰ পুণ্য তিথিত গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। জাতীয় জীৱনৰ এগৰাকী বন্দিত সত্বা ৰায়চৌধুৰীৰ সৃষ্টিৰাজিয়ে অসমৰ সাহিত্য আৰু সংগীতক্ষেত্ৰলৈ বৰঙণি আগবঢ়াই গৈছে বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ বাৰ্তাত উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম কেশৰীৰ পুণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয় যে অসমক উন্নতিৰ নতুন শিখৰত উপনীত কৰোৱাৰ যাত্ৰাত ৰায়চৌধুৰীৰ স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা অতুলনীয় দায়বদ্ধতা সকলোৰে পাথেয় হৈ ৰ'ব।

oooooo

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ সৈতে গুৱাহাটীৰ ৰেল যোগাযোগ অধিক সুচল কৰাৰ বাবে ভাৰতীয় ৰেলৱেই গুৱাহাটী আৰু উত্তৰ লখিমপুৰৰ মাজত এখন নতুন জন শতাব্দী এক্সপ্ৰেছ প্ৰৱৰ্তনৰ সিদ্ধান্ত লৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা মতে, সপ্তাহত দুবাৰকৈ চলাচল কৰিবলগীয়া এই ৰে'লগাড়ীখনে পুৱা ৯ বাজি ৫০ মিনিটত গুৱাহাটীৰ পৰা যাত্ৰা আৰম্ভ কৰি বিয়লি ৪ বাজি ১৫ মিনিটত উত্তৰ লখিমপুৰ পাবগৈ আৰু বিয়লি ৫ বজাত উত্তৰ লখিমপুৰৰ পৰা যাত্ৰা কৰি নিশা ১১ বাজি ২৫ মিনিটত গুৱাহাটী পাবহি।

ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কাইলৈ গুৱাহাটীত এই ৰেলগাড়ীখনৰ যাত্ৰাৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। ইয়াৰ লগতে ৰে'লমন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া-নাহৰলগুএক্সপ্ৰেছ আৰু গুৱাহাটী-নিউ বঙাইগাঁও যাত্ৰীবাহী ৰে'লগাড়ী দুখনো পতাকা জোকাৰি শুভাৰম্ভ কৰিব। একেদিনাই মন্ত্ৰীগৰাকীয়ে তেতেলীয়াত নিৰ্মাণ কৰা এখন পথ অভাৰব্ৰীজো উদ্বোধন কৰিব। ইয়াৰ পাছত তথ্য আৰু সম্প্ৰচাৰ বিভাগৰো মন্ত্ৰী বৈষ্ণৱে ভাৰ্চুৱেল ব্যৱস্থাৰে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ নৱনিৰ্মিত এফ এম ট্ৰান্সমিটাৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

oooooo

ৰাজ্যিক পক্ষী দেওহাঁহৰ সংৰক্ষণৰ বাবে নামেৰী ৰাষ্ট্ৰীয় উদ্যানত যোৱা বছৰৰ পৰা গ্ৰহণ কৰা বিশেষ প্ৰকল্পৰ ফলত উদ্যানখনত দেওহাঁহৰ সংখ্যা বৃদ্ধি পাইছে। দুষ্প্ৰাপ্য প্ৰজাতিৰ এই পক্ষীবিধ পূৰ্বে বিহালী সংৰক্ষিত বনাঞ্চল, ডুমডুমা, ডিব্ৰু-চৈখোৱা, দিহিং-পাটকাইকে ধৰি কেইবাখনো বনাঞ্চলত পোৱা গৈছিল যদিও পৰৱৰ্তী সময়ত অন্য বনাঞ্চলসমূহত দেওহাঁহৰ অস্তিত্ব প্ৰায় নাইকিয়া হৈ পৰে। দিহিং পাটকাই আৰু নামেৰী ৰাষ্ট্ৰীয় উদ্যানতহে এই দুষ্প্ৰাপ্য প্ৰজাতিৰ পক্ষীবিধ বৰ্তি থকাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যোৱাবছৰ নামেৰিত এই প্ৰকল্প আৰম্ভ কৰে। ইয়াৰ অধীনত দেওহাঁহৰ বিচৰণ ক্ষেত্ৰ তথা বিলসমূহৰ চোৱাচিতা কৰাৰ

লগতে এই পক্ষীবিধৰ উপযোগীকৈ তিনিখন বিল সাজু কৰি তোলা হয়। তিনিওখন বিললৈ যথেষ্ট সংখ্যক দেওহাঁহৰ আগমন ঘটাৰ ফলত পক্ষীবিধৰ আশা ব্যঞ্জকভাৱে বংশবৃদ্ধি হৈছে বুলি উদ্যানখনৰ সূত্ৰই প্ৰকাশ কৰিছে। বৰ্তমান উদ্যানখনত থকা ৭০ৰ পৰা ৮০ টা দেওহাঁহ চাবলৈ দেশ-বিদেশৰ অগণন পৰ্যটকৰ আগমন ঘটে। উদ্যানখনত এই পক্ষীবিধৰ গতি-বিধি নিৰূপণৰ বাবে কমেও দুটা পক্ষীৰ দেহত ৰেডিঅ'কলাৰ নামৰ বিশেষ সঁজুলি সংস্থাপন কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি নামেৰি ৰাষ্ট্ৰীয় উদ্যানৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০

মধ্য প্ৰদেশৰ ৰাজধানী ভূপালত কাইলৈৰ পৰা ৬ জানুৱাৰীলৈ হ'বলগীয়া ৩১ সংখ্যক ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত অসমৰ ২৩ গৰাকী শিশু বিজ্ঞানীয়ে প্ৰতিনিধিত্ব কৰিব। আজি পুৱা শিশুকেইগৰাকী ভূপাললৈ ৰাওনা হৈছে। ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কালি শিশু বিজ্ঞানী কেইগৰাকীৰ লগতে অভিভাৱকসকলৰ সৈতে বৰঝাৰত মত বিনিময় কৰে। মত বিনিময় কাৰ্যসূচীত অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ড° জয়দীপ বৰুৱা, শিশুবিজ্ঞান সমাৰোহৰ শৈক্ষিক সমিতিৰ অধ্যক্ষ বিপুল বৰাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

ৰাজ্য চৰকাৰে বসুন্ধৰা তৃতীয় পৰ্যায়ৰ আবেদনৰ সময়সীমা ১০ জানুৱাৰীলৈ বৃদ্ধি কৰিছে। কালি জাৰি কৰা এই অধিসূচনা অনুসৰি বসুন্ধৰা তৃতীয় পৰ্যায় প'ৰ্টেলত আবেদনকাৰীয়ে অহা ১০ জানুৱাৰীৰ মাজনিশালৈ আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে যাতে কোনো বাধাৰ সন্মুখীন নোহোৱাকৈ আবেদন কৰিব পাৰে এই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তসকলক অধিসূচনাযোগে নিৰ্দেশ প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ বসুন্ধৰাৰ বাবে ২০২৪ বৰ্ষৰ ১৫ অক্টোবৰত অধিসূচনা জাৰি কৰা হৈছিল। সেই অনুসৰি ২০২৪ বৰ্ষৰ ৩১ ডিচেম্বৰৰ মাজনিশা পৰ্যন্ত আবেদন দাখিল কৰাৰ সময়সীমা বান্ধি দিয়া হৈছিল।

০০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে কলাক্ষেত্ৰ ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে। আজি চৰকাৰী চাৰু-কাৰু আৰু কলা মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলে চিত্ৰ ভাস্কৰ্য প্ৰদৰ্শন কৰিব। এই উৎসৱৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে বৰঢোলৰ অনুষ্ঠান, চিত্ৰকলা, ভাস্কৰ্য আৰু ছপা ছবি কৰ্মশালা, নাগাৰা নাম, জনগোষ্ঠীয় লোকনৃত্যৰ অনুষ্ঠান, পুতলা নাট, সত্ৰীয়া নৃত্যৰ লগতে 'আঁহত তলৰ ৰং' শীৰ্ষক ভিন্নসুৰী গীত-মাতৰ অনুষ্ঠানৰো আয়োজন কৰা হৈছে। শনিবাৰে শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেমমূলক কবিতা আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। তদুপৰি দেওবাৰে চেমনীয়াসকলৰ বাবে মৌ-মেল তথা থলুৱা খাদ্যৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত